# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-SEP-2026
**Time :** 1715 PM

## *Assamese Evening Bulletin*
### Headlines
:::::::::::::::::::

১। ৰাজ্য চৰকাৰৰ লাচিত বৰফুকন পুলিচ একাডেমীক ৰাষ্ট্ৰীয় মানদণ্ডৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য।

২। কংগ্ৰেছ দলে ৰাইজৰ দলৰ সৈতে থকা সকলো ধৰণৰ ৰাজনৈতিক মিত্ৰতা আনুষ্ঠানিকভাৱে ভংগ কৰাৰ কথা ঘোষণা।

৩। সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন ২০২৬ৰ বাবে কেইবাটাও সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ।

**আৰু**

৪। অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন।

00000

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীক ৰাষ্ট্ৰীয় মানদণ্ডৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি একাডেমীৰ চৌহদত আন্তঃগাঁথনি উন্নয়নমূলক কামকাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে একাডেমীখনৰ নিৰ্মাণকাৰ্য খৰতকীয়া কৰাৰ লগতে ৰাজ্যৰ আৰক্ষী থানা, বেটেলিয়ন আৰু চাৰিখন জিলাৰ আদৰ্শ আৰক্ষী চাউনিৰ আবাসীক প্ৰকল্পৰো বুজ লয়। লগতে তেওঁ নৱগঠিত **স্মাৰ্ট ৰেছপন্স ইউনিটৰ** কামকাজক বুজ লয়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক সন্মিলনত অংশগ্ৰহণ কৰে। দুদিনীয়া কাৰ্যসূচীৰে  জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ এই সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটা উপস্থিত আছিল।

00000

কংগ্ৰেছ দলে ৰাইজৰ দলৰ সৈতে থকা সকলো ধৰণৰ ৰাজনৈতিক মিত্ৰতা আনুষ্ঠানিকভাৱে ভংগ কৰাৰ কথা ঘোষণা কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা লোকসভাৰ উপ-দলপতি গৌৰৱ গগৈৰ নিৰ্দেশক্ৰমে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰামান্না বৰুৱাৰ স্বাক্ষৰ সম্বলিত এই দলীয় নিৰ্দেশনা আনুষ্ঠানিকভাৱে জাৰি কৰা হয়।

নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি বিগত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ পূৰ্বে ঐক্যবদ্ধ হৈ যুঁজ দিয়া আৰু ৰাইজৰ মাজলৈ এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰাৰ লক্ষ্যৰে কংগ্ৰেছে ৰাইজৰ দলসহ কেইবাটাও আঞ্চলিক আৰু বাওপন্থী সৰ্বভাৰতীয় দলক একত্ৰিত কৰি নিৰ্বাচনী মিত্ৰজোঁট গঠন কৰিছিল। কিন্তু দীৰ্ঘ সময়ছোৱাত ৰাইজৰ দলৰ নেতৃত্বই মিত্ৰজোঁটৰ নীতি-নিয়ম আৰু মৰ্যাদা উলংঘা কৰি কংগ্ৰেছ দলৰ বিৰুদ্ধে ভুৱা অপপ্ৰচাৰত লিপ্ত হৈ পৰা বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। মিত্ৰজোঁটৰ নীতিবিৰোধী আচৰণৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ দলৰ সৈতে ভৱিষ্যতে ৰাজনৈতিক সম্পৰ্ক

বাহাল ৰখাটো সম্ভৱপৰ নহয় বুলি নির্দেশনাটোত উল্লেখ কৰা হৈছে। মিত্রতা ভংগৰ পাছতে বিৰোধী দলপতি ৰাজেদ আলি চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত এনেদৰে প্রকিকিক্রিয়া প্রকাশ কৰে।

(বাইট ঃ ৰাজেদ আলি চৌধুৰী)

০০০০০

ন্যায়াধীশ শর্মিলা ভূঞাৰ ফাষ্ট ট্রেক আদালতত আজি জুবিন গার্গৰ মৃত্যুৰ গোচৰত প্রবাসী অসমীয়া পৰীক্ষিত শর্মাৰ সাক্ষ্য গ্রহণ আৰু জেৰা প্রক্রিয়া সম্পূর্ণ হয়। সাক্ষ্য প্রদান আৰু জেৰা প্রক্রিয়াৰ অন্তত সংবাদ মাধ্যমৰ আগত শ্রীশর্মাই কয় যে তেওঁৰ সাক্ষ্যই যদি জুবিন গার্গক ন্যায় প্রদানৰ ক্ষেত্রত ৫ শতাংশও সহায় কৰে তেন্তে তেওঁ ধন্য হ'ব। ১৯ ছেপ্তেম্বৰত য়টত প্রকৃততে কি হৈছিল, জুবিন গার্গে সময়মতে চিকিৎসা পাইছিল নে নাই বুলি সংবাদ মাধ্যমে সোধা কেইবাটাও প্রশ্নৰ উত্তৰ দিয়াৰ পৰা শ্রীশর্মা বিৰত থাকে।

বাইট (পৰীক্ষিত শর্মা)

উল্লেখযোগ্য যে বিগত বর্ষৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ সাগৰত সাঁতুৰি থকাৰ সময়ত শিল্পী জুবিন গার্গৰ মৃত্যু হৈছিল। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ন্যায়াধীশ শর্মিলা ভূঞাৰ নেতৃত্বত গঠিত ফাষ্ট ট্রেক আদালতত সাক্ষ্য গ্রহণ প্রক্রিয়া চলি আছে।

০০০০০

বজালী জিলাৰ ৮০ বছৰ বা তাতকৈ উর্ধৰ জ্যেষ্ঠ নাগৰিকসকলক ঘৰৰ দুৱাৰমুখতে স্বাস্থ্য সেৱা প্রদানৰ লক্ষ্যৰে ৰূপায়ণ হ'বলগীয়া **বিবেচক** শীর্ষক কার্যসূচীৰ প্রস্তুতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বজালী জিলা প্রশাসন আৰু জিলা স্বাস্থ্য সমিতি বজালীৰ উদ্যোগত আজি অনুষ্ঠিত এই বৈঠকত জিলা আয়ুক্ত মধুমিতা ভাগৰতীৰ অধ্যক্ষতাত বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। জিলাখনৰ জ্যেষ্ঠ নাগৰিকসকলক চিনাক্ত কৰা, তেওঁলোকৰ স্বাস্থ্য পৰীক্ষা, নিয়মীয়া ঘৰুৱা স্বাস্থ্য পৰিদর্শন আৰু প্রয়োজন অনুসৰি উন্নত চিকিৎসা সেৱাৰ ব্যৱস্থা সন্দৰ্ভত সংযোগ স্থাপনৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰা হয়। আজিৰ এই বৈঠকত জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্যজনিত সমস্যাসমূহ প্রাৰম্ভিক পর্যায়তে চিনাক্ত কৰাৰ লগতে নিয়মীয়া স্বাস্থ্য পৰীক্ষা, চলিত চিকিৎসা আৰু ঔষধ সেৱনৰ পর্যালোচনাচ, স্বাস্থ্য সম্পৰ্কীয় পৰামর্শ আৰু প্রযোজনীয় ক্ষেত্রত ৰেফাৰেলৰ ব্যৱস্থা সুনিশ্চিত কৰাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ লগতে জ্যেষ্ঠ নাগৰিকসকলৰ মানসিক আৰু আবেগিক সুস্থতা, পুষ্টি, পৰিচ্ছন্নতা আৰু শাৰিৰীক চলাচলৰ সুবিধা আদি বিষয়তো আলোকপাত কৰা হয়। এই বৈঠকত জিলা আয়ুক্তৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া, ভাৰপ্রাপ্ত জিলা আঁচনি প্রৱন্ধক তথা স্বাস্থ্য বিষয়া আৰু স্বাস্থ্য কর্মীসকল উপস্থিত থাকে।

০০০০০

সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নির্বাচন ২০২৬ৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্রকাশ পাইছে। বৰহোলা পৰিষদীয় সমষ্টি আৰু বজালকটা পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা কালি প্রকাশ কৰা হয়। এই তালিকা অনুসৰি বৰহোলা পৰিষদীয় সমষ্টিৰ মুঠ দুহেজাৰ ৯২৫ গৰাকী ভোটাৰৰ ভিতৰত এক হাজাৰ ৪১৮ গৰাকী পুৰুষ আৰু এক হাজাৰ ৫০৭ গৰাকী মহিলা ভোটাৰ আছে। বজালপতা পৰিষদীয় সমষ্টিত মুঠ দুই হাজাৰ ৪৯৪ গৰাকী ভোটাৰৰ ভিতৰত এহেজাৰ ২৮১ গৰাকী মহিলা ভোটাৰ আছে।

একেদৰে এই পৰিষদীয় নির্বাচনৰ বাবে গোলাঘাট আৰু দৈয়াং সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা কালি প্রকাশ কৰা হয়। তালিকা অনুসৰি দুয়োটা সমষ্টিত মুঠ ৮ হাজাৰ ৩৭ গৰাকী ভোটাৰ আছে। ইয়াৰে ৩ হাজাৰ ৯০৫ গৰাকী পুৰুষ আৰু ৪ হাজাৰ ১৩২ গৰাকী মহিলা ভোটাৰ। জিলাখনত মুঠ ২০টা ভোটকেন্দ্র থাকিব। প্রতিটো সমষ্টিতে ১০টাকৈ ভোট কেন্দ্র নির্ধাৰণ কৰা হৈছে।

অসম ৰাজ্যিক নির্বাচন আয়োগে চূড়ান্ত ভোটাৰ তালিকা গোলাঘাটৰ জিলা আয়ুক্তৰ কার্যালয়ৰ লগতে জিলা প্রশাসন আৰু ৰাজ্যিক নির্বাচন আয়োগৰ ৱেবছাইটত লাভ কৰাৰ ব্যৱস্থা কৰিছে।

০০০০০

অৰ্জুন বঁটাৰে সন্মানিত প্ৰথম অসমীয়া ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হয়। ১৯৬৬ চনৰ এছিয়ান গেম্‌ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

এই উপলক্ষে গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৪৩ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত পুৱা সামুহিক দৌৰ অনুষ্ঠিত হয়। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুন নেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই সামুহিক দৌৰত অংশগ্ৰহণ কৰে।

অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে আজি শিৱসাগৰৰ জয়সাগৰস্থিত বাসগৃহত উপস্থিত হৈ খেলুৱৈগৰাকীক সম্বৰ্ধনা জনায়। শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে খেলুৱৈগৰাকীৰ পদচিহ্ন সংগ্ৰহ কৰে। ৰাজ্য চৰকাৰে জন্মদিন উপলক্ষে ভোগেশ্বৰ বৰুৱালৈ ১ লাখ টকাৰ চেক আগবঢ়ায়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী বৰুৱাই কয়, যে আমি সকলোৱে মিলি নতুন প্ৰজন্মক আগুৱাই নিব লাগিব।

অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত কাইলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০

শিৱসাগৰ জিলাত সাৰ বিক্ৰি আৰু বিতৰণ ব্যৱস্থাক অধিক স্বচ্ছ, বিজ্ঞানসন্মত আৰু নিয়মানুৱৰ্তি কৰাৰ লক্ষ্যৰে আজিৰে পৰা **ফ্ৰেমৱৰ্ক ফৰ ফাৰ্টিলাইজাৰ ছেল** নামৰ নতুন প্ৰণালীগত সাৰ বিক্ৰী ব্যৱস্থাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই উপলক্ষে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত কেন্দ্ৰীয়ভাৱে উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জিলা কৃষি বিষয়া, কৃষি বিজ্ঞানকেন্দ্ৰৰ মুখ্য বিজ্ঞানী, সহকাৰী কৃষি সঞ্চালকৰ লগতে কৃষি বিষয়া আৰু কৰ্মচাৰী উপস্থিত থাকে। এই অনুষ্ঠানত কোঁৱৰপুৰ কৃষি উন্নয়ন চক্ৰৰ ঋষিকেশ হাজৰিকাই কৃষকসকলক এই **ফ্ৰেমৱৰ্ক ফৰ ফাৰ্টিলাইজাৰ ছেল** ব্যৱস্থাৰ অধীনত সাৰ ক্ৰয়ৰ বাবে প্ৰয়োজনীয় মোবাইল এপৰ ব্যৱহাৰ প্ৰক্ৰিয়াৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে। জিলাখনৰ সম-জিলা আৰু আটাইকেইটা স্থানীয় কৃষি উন্নয়ন চক্ৰত এই নতুন ব্যৱস্থা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই নতুন প্ৰণালীৰ জৰিয়তে কৃষি ক্ষেত্ৰত সাৰ সুষম আৰু বৈজ্ঞানিক ব্যৱস্থাৰ নিশ্চিত কৰাৰ লগতে অতিক্তি সাৰ প্ৰয়োগ আৰু অপচৰ ৰোধ কৰাত সহায় হ'ব বুলি আশা কৰা হৈছে।

০০০০০

বাক্সা জিলাৰ শালবাৰীত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত খাদ্যবস্তুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বিৰুদ্ধে জিলাখনৰ শালবাৰী কেন্দ্ৰীয় শাখা ছাত্ৰ সন্থা, গাতি আঞ্চলিক ছাত্ৰ সন্থা আৰু মানাহ আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী ছাত্ৰ নেতাসকলে অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ দাম হ্ৰাস কৰিবলৈ চৰকাৰক দাবী জনায়। এই কাৰ্যসূচীত বাক্সা জিলা ছাত্ৰ সন্থাৰ সভাপতিয়ে যোগান বিভাগৰ মন্ত্ৰীক সমালোচনা কৰাৰ লগতে বিষয়টো লৈ চৰকাৰ উদাসীন বুলি অভিযোগ তোলে।

পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত হৰিমন্দিৰ প্ৰাঙ্গনৰ পৰা উলিওৱা প্ৰতিবাদী কাৰ্যসূচীত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্লোগানেৰে যোগান বিভাগক সমালোচনা কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাস কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

ধেমাজিতো জোনাই আঞ্চলিক ছাত্ৰ সন্থাই সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০

সমাপ্ত